**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 22-02-2026

**Time :** 1845 Hrs.

***Assamese Evening Bulletin***

**HEADLINE**

০০০০০

১। ভৱিষ্যতৰ পৃথিৱীত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগৰ নীতি নিৰ্দ্ধাৰণৰ দিশত **ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলন** অতিশয় গুৰুত্বপূৰ্ণ বুলি প্ৰধানমন্ত্ৰীৰ **মন কী বা**তত প্ৰকাশ।

২। গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ নতুন সংহত টাৰ্মিনেল ভৱন আজিৰে পৰা কাৰ্যকৰী।

৩। বৃন্দাবনী বস্ত্ৰ প্ৰদৰ্শনৰ বাবে গুৱাহাটীৰ খানাপাৰাত নিৰ্মাণ হ'বলগীয়া সাংস্কৃতিক সংগ্ৰহালয় প্ৰকল্পৰ আধাৰশিলা স্থাপন।

৪। ৰাজ্যৰ স্বাস্থ্য সেৱা খণ্ডৰ উন্নয়নৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে আজি ৮২ খন নতুন ১০৮ মৃত্যুঞ্জয় এম্বুলেন্স সেৱাৰ শুভাৰম্ভ।

**আৰু**

৫। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইটৰ এখন খেলত ক্ষন্তেক পাছতে ভাৰত আৰু দক্ষিণ আফ্ৰিকা মুখামুখি।

০০০০০

ভৱিষ্যতৰ পৃথিৱীত কৃত্ৰিম বুদ্ধিমত্তাৰ শক্তি কিদৰে প্ৰয়োগ কৰা হ'ব সেই বিষয়ত নীতি নিৰ্দ্ধাৰণৰ দিশত **ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলন** অতিশয় গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাৱ ব্যক্ত কৰি আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইদৰে মত প্ৰকাশ কৰে। শ্ৰীমোদীয়ে, নতুন দিল্লীৰ ভাৰত মণ্ডপমত আয়োজিত এই শীৰ্ষ সন্মিলনত ভিন ভিন দেশৰ নেতাৰ লগতে ঔদ্যোগিক খণ্ডৰ গুৰুত্বপূৰ্ণ ব্যক্তি, উদ্ভাৱক আৰু ষ্টাৰ্টআপ খণ্ডৰ সৈতে জড়িত

ব্যক্তিসকল সমবেত হোৱাৰ বিষয়টোলৈ আঙুলিয়াই দিয়ে। এই অনুষ্ঠানত বিশ্বনেতা আৰু প্ৰযুক্তি খণ্ডৰ মুখ্য কাৰ্যবাহী বিষয়াসকলে পৰস্পৰৰ সৈতে মত বিনিময় কৰাৰ সুযোগ লাভ কৰা বুলিও তেওঁ লগতে উল্লেখ কৰে।

**বাইট (পি এম)-১**

ডিজিটেল এৰেষ্ট সন্দৰ্ভত পূৰ্বে মন কী বাতত উল্লেখ কৰাৰ পিছৰ পৰা ডিজিটেল এৰেষ্ট আৰু ডিজিটেল জালিয়াতি সন্দৰ্ভত সমাজত ভালেখিনি সজাগতা বৃদ্ধি পোৱা বুলিও প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে শ্ৰোতাসকলক ভুৱা ফোনকল, এছ্ এম এছ্ আৰু লিংকৰ বিষয়ে সজাগ হৈ থাকিবলৈ আহ্বান জনায়। তেওঁ লগতে জনসাধাৰণক কে ৱাই চি, ৰি কে ৱাই চি কেৱল বেংকৰ শাখা, অফিচিয়েল এপ আৰু দায়িত্ববাহীসকলকহে প্ৰদান কৰিবলৈ কয়। তদুপৰি অ টি পি, আধাৰ নম্বৰ বা বেংকৰ সবিশেষ যিকোনো লোককে প্ৰদান নকৰিবলৈ তেওঁ আহ্বান জনায়।

**বাইট (পি এম)-২**

পবিত্ৰ ৰমজান মাহ আৰু হোলী উপলক্ষে প্ৰধানমন্ত্ৰীগৰাকীয়ে সকলোকে শুভকামনা জনোৱাৰ লগতে জনসাধাৰণে পৰিয়ালৰ লোকৰ সৈতে আনন্দৰে এই উৎসৱ পালন কৰিব বুলিও আশা প্ৰকাশ কৰে।

০০০০০

গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰ্জাতিক বিমান বন্দৰৰ নতুন সংহত টাৰ্মিনেল ভৱন আজিৰে পৰা কাৰ্য্যকৰী হৈছে। আজি টাৰ্মিনেল ভৱনটোৰে প্ৰথমবাৰৰ বাবে যাত্ৰা কৰা যাত্ৰীসকলক মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অভিনন্দন জনায়। আকাশ এয়াৰৰ এখন বিমান অৱতৰণেৰে টাৰ্মিনেলটোৰ সেৱা মুকলি কৰা হৈছে। এই উপলক্ষে বৰঝাৰ বিমান বন্দৰত আয়োজিত এখন সভাত অংশ লৈ মুখ্যমন্ত্ৰী ডং শৰ্মাই কয়, যে অসমত বিমান পৰিবহণৰ সংক্ৰান্তীয় কাম-কাজৰ সৈতে দক্ষ যুৱ প্ৰজন্মক জড়িত কৰাৰ বাবে বিভিন্ন পৰিকল্পনা লোৱা হৈছে। স্থানীয় মানৱ সম্পদৰ পৰিশ্ৰমেৰে নিৰ্মিত এই টাৰ্মিনেল ভৱনটোৱে উত্তৰ-পূৰ্বাঞ্চল আৰু ইয়াৰ চৌপাশৰ অঞ্চলসমূহৰ প্ৰৱেশদ্বাৰ হিচাপে অসমৰ বৰ্ধিত ভূমিকাক প্ৰতিফলিত কৰে বুলি তেওঁ কয়। অত্যাধুনিক আৰু যাত্ৰীৰ সা-সুবিধাৰে সু-সজ্জিত নতুন টাৰ্মিনেল ভৱনটোৰ দৃশ্য কালি সামাজিক মাধ্যমযোগে শ্বেয়াৰ কৰি ডং শৰ্মাই কয়, যে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰ্জাতিক বিমান বন্দৰক বিমানৰ মেৰামতি, চাৰ্ভিচিং কৰাৰ অৰ্থে এম আৰ অ' কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে পদক্ষেপ লোৱা হৈছে। বিমান বন্দৰটোত বয়োজ্যেষ্ঠ লোকৰ সুবিধাৰ বাবে এলিভেটেড ৱাক্ৱে ব্যৱস্থা কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। ৪ হাজাৰ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা নতুন টাৰ্মিনেল ভৱনটোৱে বছৰি ১ কোটি ৩০ লাখ যাত্ৰীয়ে আহ-যাহ কৰিব। অসমৰ জৈৱ বৈচিত্ৰ্য আৰু সাংস্কৃতিক ঐতিহ্যৰ সমাহাৰেৰে কপৌফুলৰ আৰ্হিত বাঁহেৰে নিৰ্মাণ কৰা এই নতুন টাৰ্মিনেলটোৱে বিমান পৰিবহণ কেন্দ্ৰ হিচাপে গুৱাহাটীৰ স্থিতি সৱল কৰি তুলিব বুলি আশা কৰা হৈছে। প্ৰায় ৫ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই টাৰ্মিনেল ভৱনটো নিৰ্মাণত ১৪০ মেট্ৰিক টন বাঁহ ব্যৱহাৰ কৰা হৈছে। যোৱা ২০ ডিচেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে টাৰ্মিনেল ভৱনটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰিছিল।

০০০০০

**সেৱা সংকল্প সপ্তাহ**ৰ অংশ হিচাপে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ নেতৃত্বত লোকভৱনে আজি ভাৰতীয় ৰেডক্ৰছ ছ'চাইটীৰ সহযোগত চানমাৰিত থকা আই আৰ চি এছ শাখাত ৰক্তদান শিবিৰৰ আয়োজন কৰে।

অনুষ্ঠানত অংশ লৈ ৰাজ্যপালগৰাকীয়ে ৰক্তদানক এটা মহৎ কাৰ্য বুলি অভিহিত কৰে। তেওঁ লোকভৱনে গ্ৰহণ কৰা এই পদক্ষেপে সহমৰ্মিতা আৰু স্বাৰ্থহীন সেৱাক চিহ্নিত কৰিছে বুলি উল্লেখ কৰে। শ্ৰীআৰ্চাযই কয়, যে ৰক্তদান শিবিৰে সেৱা, সামাজিক দায়বদ্ধতা আৰু মানৱতাৰ প্ৰতি থকা সমূহীয়া দায়বদ্ধতাক প্ৰতিফলিত কৰে। অসমৰ সাংস্কৃতিক ঐতিহ্য সন্দৰ্ভত আলোকপাত কৰি ৰাজ্যপালগৰাকীয়ে কয়, যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ শিক্ষাই মানৱসেৱাক জীৱনৰ প্ৰকৃত উদ্দেশ্য হিচাপে গ্ৰহণ কৰিবলৈ সমাজক অনুপ্ৰাণিত কৰি আহিছে। তেওঁ ৰক্তদান শিবিৰক পৰোপকাৰৰ অন্যতম উপায় বুলি উল্লেখ কৰি কয়, যে ইয়াৰ জৰিয়তে ৰক্তৰ প্ৰয়োজন হোৱা ৰোগীসকলক নতুন জীৱন দান দিয়া হয়।

ooooo

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ অমূল্য সৃষ্টি বৃন্দাবনী বস্ত্ৰ অসমত প্ৰদৰ্শনৰ বাবে গুৱাহাটীৰ খানাপাৰাত নিৰ্মাণ হ'বলগীয়া সাংস্কৃতিক সংগ্ৰহালয় প্ৰকল্পৰ আজি আধাৰশিলা স্থাপন কৰা হয়। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই প্ৰকল্পৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত সাংস্কৃতিক মন্ত্ৰী বিমল বৰা, ব্ৰিটিছ সংগ্ৰহালয়ৰ দক্ষিণ আৰু দক্ষিণ-পূব এছিয়া শাখাৰ প্ৰাক্তন মুৰব্বী টি ৰিচাৰ্ড ব্লাৰ্টন আৰু প্ৰকল্প নিৰ্মাণৰ দায়িত্বত থকা সংস্থাৰ বিষয়ববীয়াসকল উপস্থিত থাকে। ড০ শৰ্মাই তেওঁৰ ভাষণত কয়, যে অসমীয়া জাতীয় জীৱনৰ স্বাভিমানৰ প্ৰতীক এই বৃন্দাবনী বস্ত্ৰ অসমলৈ ঘূৰাই অনাটো ৰাজ্য চৰকাৰৰ বাবে এটা ঐতিহাসিক পদক্ষেপ। প্ৰায় ১৮ মাহৰ ভিতৰত সম্পূৰ্ণ হ'বলগীয়া সংগ্ৰহালয়টো পৰৱৰ্তী সময়ত ব্ৰিটিছ সংগ্ৰহালয় কৰ্তৃপক্ষই পৰিদৰ্শন কৰাৰ পাছত বৃন্দাবনী বস্ত্ৰ অসমলৈ আনিব পৰা যাব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

**ৰাইট (চি এম)**

ooooo

ৰাজ্যৰ স্বাস্থ্য সেৱা খণ্ডৰ উন্নয়নৰ দিশত আন গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে আজি ৮২ খন নতুন ১০৮ মৃত্যুঞ্জয় এম্বুলেন্স সেৱাৰ শুভাৰম্ভ কৰা হয়। ২৯ কোটি টকা ব্যয় সাপেক্ষ এই সেৱা আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ হস্পিতাল প্ৰেক্ষাগৃহত স্বাস্থ্যমন্ত্ৰী অশোক সিংহালে শুভাৰম্ভ কৰে। এই নৱ-সংযোজনৰ জৰিয়তে ৪২খন অত্যাধুনিক জীৱনদায়িনী এম্বুলেন্স আৰু ৪০খন অত্যাৱশ্যকীয় জীৱনদায়িনী এম্বুলেন্সৰ সেৱা আৰম্ভ কৰা হৈছে। অনুষ্ঠানত দিয়া ভাষণত শ্ৰীসিংহালে কয়, যে বিগত ১০ বছৰত পথ আন্তঃগাঁথনি উন্নীত হোৱাৰ ফলত এম্বুলেঞ্চ সেৱা কম সময়তে লাভ কৰাটো সুবিধা হৈছে। সম্প্ৰতি ১৪ মিনিটৰ ভিতৰত এম্বুলেঞ্চ সেৱা লাভ কৰিব পৰা যায় আৰু এই সময় ১০ মিনিটলৈ হ্ৰাস কৰাৰ বাবে চেষ্টা চলাই থকা হৈছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে নতুন হাস্পতাল নিৰ্মাণৰ ফলত জনসাধাৰণে স্বাস্থ্য সেৱাৰ সুবিধা সুচলভাৱে লাভ কৰিব পাৰিছে। এতিয়ালৈ কমেও ৭১ লাখ লোকক ১০৮ এম্বুলেন্স সেৱা আগবঢ়োৱা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

২০২৫-২৬ বৰ্ষৰ চৰচ মেলা আজিৰ পৰা গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰত অনুষ্ঠিত হৈছে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনৰ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানে আয়োজন কৰা এই মেলাত

গ্ৰাম্য উদ্যোগী, আত্মসহায়ক গোট আৰু থলুৱা শিল্পীসকলে নিৰ্মাণ কৰা সামগ্ৰী প্ৰদৰ্শন তথা বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। এই মেলাত বিভিন্ন ৰাজ্যৰ ২৫০ৰো অধিক বিপণীয়ে অংশ ল'ব। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ উপৰি মহাৰাষ্ট্ৰ, ছত্তিশগড়, গোৱা, ঝাৰখণ্ড, ত্ৰিপুৰা, উত্তৰপ্ৰদেশ, উত্তৰাখণ্ড, পশ্চিমবংগ, পঞ্জাৱ, হাৰিয়ানাকে ধৰি কেইবাখনো ৰাজ্যৰ হস্তশিল্প আৰু হস্ততাঁত সামগ্ৰী এই বিপণীসমূহত প্ৰদৰ্শন কৰা হ'ব। কাইলৈৰ পৰা আটাইকেইটা দিনতে বিভিন্ন ক্ৰীড়া, পৰম্পৰাগত খেল, ফটোগ্ৰাফী, পুষ্পসজ্জা আৰু ৰন্ধন প্ৰকৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। তদুপৰি প্ৰতি সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। চৰচ মেলাই ৰাজ্যখনত তৃণমূল পৰ্যায়ৰ অৰ্থনীতি সবলীকৰণৰ পথসমূহ সুচল কৰিব বুলি আশা কৰা হৈছে। ৮ মাৰ্চত এই মেলাৰ সামৰণি পৰিব।

০০০০০

ৰাজ্যৰ বন বিভাগে গোলাঘাট জিলাৰ নেঘেৰীবিলত পুনৰ উচ্ছেদ চলোৱাৰ বাবে ৫৯ টা পৰিয়াললৈ বাসগৃহ খালী কৰিবলৈ জাননী জাৰি কৰিছে। ইয়াৰ আগেয়ে জিলাখনৰ সৰুপথাৰৰ উৰিয়ামঘাটৰ লগতে মেৰাপানীৰ ২ নম্বৰ নেঘেৰীবিলত উচ্ছেদ চলোৱা হৈছিল। যোৱা বছৰৰ ৮ আগষ্টত বন বিভাগে নেঘেৰীবিলৰ ২০৫ টা পৰিয়ালক উচ্ছেদৰ জাননী জাৰি কৰিছিল যদিও নেঘেৰীবিলৰ ৫৯ টা আৰু উৰিয়ামঘাটৰ ১১ টা পৰিয়ালে স্থগিতাদেশৰ বাবে আবেদন দাখিল কৰিছিল। উচ্চতম ন্যায়ালয়ে যোৱা ১০ ফেব্ৰুৱাৰীত গোচৰটোৰ শুনানী গ্ৰহণ কৰি বন বিভাগৰ সপক্ষে ৰায়দান কৰে। সেই অনুসৰি, বন বিভাগৰ গোলাঘাট বন সংমণ্ডলে যোৱা ২১ ফেব্ৰুৱাৰীত অঞ্চলটোৰ দখলীকৃত ভূমি সাদিনৰ ভিতৰত খালী কৰাৰ বাবে জাননী জাৰি কৰিছে। উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনাৰ সাদিনৰ ভিতৰত এই পৰিয়ালসমূহে পুনৰ আবেদন নজনালে বন বিভাগে সেই স্থানত উচ্ছেদ চলাব বুলি জাননীত কোৱা হৈছে।

০০০০০

কামৰূপ জিলাৰ বকোৰ হাহিম পৰিষদীয় সমষ্টিত আজি ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ সোণাৰাম ৰাভাই কেইবাটাও আঁচনিৰ শুভাৰম্ভ কৰে। পৰিষদৰ ২০২৪-২৫ বিত্তীয় বৰ্ষৰ পুঁজিৰে চকাবাহাত প্ৰায় ৬ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা সাংস্কৃতিক মঞ্চখন উদ্বোধন কৰা হয়। তদুপৰি মোমান-কামাৰপাৰা ৰাইজৰ সুবিধাৰ্থে প্ৰায় ১০ লাখ টকা ব্যয় সাপেক্ষ এটা ৰাজহুৱা সভাগৃহ আৰু বকোৰ হালধিপাৰা মহিলা সমিতিৰ বিভিন্ন উন্নয়নমূলক কাম-কাজৰ বাবে এটা গৃহ মুকলি কৰা হয়। প্ৰকল্পকেইটা উদ্বোধন কৰি অধ্যক্ষ সোণাৰাম ৰাভাই কয়, যে অসম-মেঘালয় সীমান্তৱৰ্তী সমষ্টিটো বৰ্তমানো যথেষ্ট পিছপৰি থকাৰ বাবে ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদে এই অঞ্চলটোৰ বিকাশৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰিছে।

০০০০০

মেঘালয়ৰ বিশিষ্ট চিত্ৰ, ভাস্কৰ্যশিল্পী ৰাফেল ব্ৰাজিললৈ চলিত বৰ্ষৰ প্ৰণৱ বৰুৱা শিল্পী বঁটা আগবঢ়োৱা হৈছে। চিত্ৰকলাৰ চৰ্চাৰ জৰিয়তে সমাজলৈ অৱদান আগবঢ়োৱাৰ বাবে শিল্পীগৰাকীলৈ এই বঁটা আগবঢ়োৱা হৈছে। নগাঁৱৰ প্ৰণৱ বৰুৱা কলাক্ষেত্ৰত আজি বঁটা প্ৰদান অনুষ্ঠানত নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, নগাঁও সাংস্কৃতিক সংগঠক নৌচাদ আখটাৰ হাজৰিকাকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

আজি পুৱা দেহাৱসান ঘটা প্ৰৱীণ সাংবাদিক, চিন্তাবিদ ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তীৰ শেষকৃত্য বিয়লি গুৱাহাটীৰ নৱগ্ৰহ শ্মশানত বহু গুণমুগ্ধৰ উপস্থিতিত সম্পন্ন হয়। আমাৰ আগৰ বাতৰিতেই কোৱা হৈছে যে, গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত আজি পুৱা প্ৰবীণ সাংবাদিকগৰাকীৰ দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁ বয়স হৈছিল ৯৭ বছৰ। ৰাজ্যৰ তথ্য আৰু জনসংযোগ বিভাগৰ সঞ্চালক হিচাপে অৱসৰ গ্ৰহণ কৰা চক্ৰৱৰ্তীয়ে পৰবৰ্তী সময়ত দৈনিক অসম, দৈনিক জনমভূমি আৰু আজিৰ বাতৰি কাকতকে ধৰি কেইবাখনো কাকতৰ সম্পাদনা কৰিছিল। অসমৰ সমাজ জীৱনৰ বিভিন্ন বিষয় আৰু সমস্যাক লৈ সজোৰে মাত মাতি অহা চক্ৰৱৰ্তীক সাংবাদিকতাৰ ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে ২০১৯ চনৰ গণৰাজ্য দিৱসৰ অনুষ্ঠানত সাংবাদিকতা বঁটাৰে সন্মানিত কৰা হৈছিল। কেইবাখনো গ্ৰন্থ ৰচনা কৰা চক্ৰৱৰ্তীয়ে অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ প্ৰাক্তন সভাপতি, কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি আৰু জাৰ্ণেলিষ্ট এছ'ছিয়েচন অৱ আছামৰ সভাপতি হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল। সাংবাদিকগৰাকীৰ বিয়োগত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোক প্ৰকাশ কৰিছে। এটা শোকবাৰ্তাত মুখ্যমন্ত্ৰীয়ে তীক্ষ্ণ কলম আৰু শক্তিশালী কণ্ঠস্বৰেৰে কেইবা দশক ধৰি জাতিটোক দিক্ নিৰ্দেশ কৰা চক্ৰৱৰ্তীৰ অৱদান অসামান্য বুলি অভিহিত কৰে। জাৰ্ণেলিষ্ট এছ'ছিয়েচন অৱ আছাম, গুৱাহাটী প্ৰেছ ক্লাবৰ লগতে কেইবাটাও সংগঠন, ৰাজ্যৰ বহু সাংবাদিক আৰু ব্যক্তিবিশেষে চক্ৰৱৰ্তীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। জাৰ্ণেলিষ্ট এছ'ছিয়েচন অৱ আছামে সংস্থাৰ পতাকা এসপ্তাহলৈ অৰ্ধনমিত কৰি সাংবাদিকগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাইছে।

০০০০০

বজালী জিলা পৰিবহণ বিষয়াৰ কাৰ্য্যালয়টো আজি পাঠশালাৰ মদন ৰাউতা নগৰত পৰিবহণ মন্ত্ৰী চৰণ বড়োৱে উদ্বোধন কৰে। অনুষ্ঠানত মন্ত্ৰী তথা পাটাচাৰকুছিৰ বিধায়ক ৰঞ্জিত কুমাৰ দাসো উপস্থিত থাকে। অনুষ্ঠানত দিয়া ভাষণত পৰিবহণ মন্ত্ৰীগৰাকীয়ে কয়, যে কেইবছৰমান আগতে বজালী জিলা গঠন হৈছিল যদিও জিলা পৰিবহণ বিষয়াৰ কাৰ্য্যালয়ৰ লগতে আনুসঙ্গিক কাম-কাজসমূহ সম্পূৰ্ণ হোৱা নাছিল। যোৱা ডিচেম্বৰ মাহত বজালী জিলা পৰিবহণ বিষয়া নিযুক্তি দিয়া হয়। এতিয়াৰে পৰা বজালী জিলাৰ ৰাইজে পৰিবহণ বিষয়ক সকলো কাম-কাজ জিলাখনতে কৰিবলৈ সমৰ্থ হ'ব বুলি তেওঁ কয়। অনুষ্ঠানত জিলাখনৰ আয়ুক্ত, জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক, পৰিবহণ বিষয়া সমন্বিতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

শিৱসাগৰ জিলাৰ ভটীয়াপাৰৰ ঐতিহাসিক জেৰেঙা পথাৰত আজি অসম গণ পৰিষদ দলৰ সংকল্প সমাৰেশ অনুষ্ঠিত হয়। দলৰ সাংগঠনিক শক্তি বৃদ্ধি আৰু নিৰ্বাচনৰ পূৰ্বে দলীয় ভেঁটি শক্তিশালী কৰাৰ লক্ষ্যৰে এই সমাৰেশৰ আয়োজন কৰা হয়। সমাৰেশত দলৰ সভাপতি তথা মন্ত্ৰী অতুল বৰা উপস্থিত থাকে। সাংবাদিকৰ আগত শ্ৰীবৰাই বিভিন্ন সমষ্টিত দলৰ প্ৰাৰ্থিত্ব প্ৰদান সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব বুলি উল্লেখ কৰে। সমাৰেশত ডেৰগাঁৱৰ বিধায়ক ভবেন ভৰালীৰ লগতে কেইবাগৰাকীও দলীয় নেতা-কৰ্মী উপস্থিত থাকে।

০০০০০

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ এখন খেলত ক্ষন্তেক পাছতে ভাৰত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত দক্ষিণ আফ্ৰিকাই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈছে।

ইয়াৰ পূৰ্বে শ্ৰীলংকাৰ পাল্লেকেলে ষ্টেডিয়ামত অনুষ্ঠিত ছুপাৰ এইট পৰ্যায়ৰ এখন খেলত আজি ইংলেণ্ডে শ্ৰীলংকাক ৫১ ৰানত পৰাস্ত কৰে। ইংলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৪৬ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত শ্ৰীলংকাই ১৬ অভাৰ আৰু ৪টা বলতে আটাইকেইটা উইকেট হেৰুৱাই কেৱল ৯৫ ৰাণহে কৰিবলৈ সমৰ্থ হয়।

০০০০০

সমাপ্ত